জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২৩/২০২০

# কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি বাসৱ চন্দ্ৰ কলিতাৰ কৰ্মৰাজি আৰু অৰিহণা সামৰি প্ৰকাশ কৰা ‘অভ্ৰভেদী’ শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্যখনৰ উন্নয়নৰ দিশত কৰ্মচাৰী পৰিষদে গ্ৰহণ কৰি অহা ভূমিকাৰ শলাগ ল’লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ০১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি বাসৱ চন্দ্ৰ কলিতাৰ কৰ্মৰাজি আৰু অৰিহণা সামৰি প্ৰকাশ কৰি উলিওৱা ‘অভ্ৰভেদী’ শীৰ্ষক এখন গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই গ্ৰন্থখনত বাসৱ চন্দ্ৰ কলিতাই বিগত ২০ বছৰ ধৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি হিচাপে লাভ কৰা অভিজ্ঞতা আৰু সদৌ অসম কৰ্মচাৰী পৰিষদলৈ আগবঢ়োৱা অৰিহণা আৰু কৰ্মৰাজিৰ সবিশেষ সন্নিৱিষ্ট কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম আন্দোলনৰ কৰ্মচাৰী পৰিষদৰ প্ৰথম শ্বহীদ দিলীপ চক্ৰৱৰ্তীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি কৰ্মচাৰী পৰিষদৰ কাম-কাজ আৰু অৰিহণাৰ শলাগ লয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে কৰ্মচাৰী পৰিষদে ইয়াৰ জন্মলগ্নৰে পৰা ৰাজ্যখনৰ উন্নয়নত বলিষ্ঠ বৰঙনি যোগাই আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে কৰ্মচাৰী পৰিষদৰ সদস্যভুক্ত সকলো কৰ্মচাৰীকে কৰ্ম সংস্কৃতিৰ প্ৰতি অধিক মনোনিৱেশ কৰাৰ বাবে আহ্বান জনায় যাতে অসমে উন্নয়নৰ দিশত আৰু অধিক আগুৱাই যাব পাৰে। চৰকাৰে কৰ্মচাৰীসকলৰ ওপৰত কোনো কথা জাপি দিব নোখোজে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কৰ্মচাৰীসকলক নিজৰ হৃদয়ৰ পৰাই কৰ্ম সংস্কৃতিৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ বাবে আহ্বান জনায় যাতে ৰাজ্যখনক কৰ্ম সংস্কৃতিৰ এক উত্তম ৰাজ্য হিচাপে পৰিগণিত কৰিব পৰা যায়।

ৰাজ্য চৰকাৰৰ মূল নীতি আৰু কৰ্মৰাজিৰ বিষয়ে ব্যাখ্যা আগবঢ়াই মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰে পৰা অসম চুক্তিৰ বিভিন্ন দফা ৰূপায়ণৰ দিশত দায়বদ্ধতাৰে পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰীকৰণৰ বাবে নিষ্ঠাৰে পদক্ষেপ লৈছে বুলিও তেওঁ কয়। পূৰ্বৰ কোনো কেন্দ্ৰীয় চৰকাৰে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ প্ৰতি এনেধৰণৰ গুৰুত্ব দিয়া নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলক ‘অষ্টলক্ষ্মী’ আৰু ‘অৰ্গেনিক হাব’ হিচাপে

অভিহিত কৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমন্বিত বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলিও তেওঁ কয়। এই পৰিৱৰ্তিত পৰিস্থিতিৰ দ্বাৰা ৰাজ্যখন যাতে অধিক লাভান্বিত হ'ব পাৰে তাৰ বাবে বৃহত্তৰ কৰ্মচাৰী সমাজখনক নিষ্ঠা সহকাৰে কৰ্ম সংস্কৃতিৰ এক নতুন বাতাবৰণ সৃষ্টি কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। যোগীঘোপাত মাল্টি মডেল লজিষ্টিক্স হাব নিৰ্মাণৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপৰ লেখীয়া নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বহুসংখ্যক পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰখনে প্ৰতিশ্ৰুতি দিয়া মতে ৰাজ্য চৰকাৰৰ সহযোগত ৬৪ কিঃমিঃ নদী সীমান্ত সহ ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সমন্বিত বিকাশৰ যাত্ৰাৰ দিশত বৰ্তমানৰ চৰকাৰখনে লোৱা আঁচনিসমূহ সৰ্বোতপ্ৰকাৰে ফলপ্ৰসূ কৰাৰ দিশত কৰ্মচাৰী পৰিষদে প্ৰদান কৰি অহা সহায়-সহযোগিতাৰ বাবে কৰ্মচাৰী পৰিষদক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি বাসৱ চন্দ্ৰ কলিতাকো ধন্যবাদ জ্ঞাপন কৰি তেখেতৰ সুস্বাস্থ্য কামনা কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কৰ্মচাৰী পৰিষদক ৰাজ্যৰ প্ৰশাসন যন্ত্ৰৰ ৰাজহাড় বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে কৰ্মচাৰী পৰিষদে চৰকাৰক সময়ে-সময়ে আগবঢ়াই অহা সহযোগিতাৰ বাবে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। মানুহক জীৱ শ্ৰেষ্ঠ বুলি উল্লেখ কৰি মিডিয়া উপদেষ্টাগৰাকীয়ে কৰ্মচাৰী পৰিষদক জনসাধাৰণক আগুৱাই নিয়াৰ পথ প্ৰদৰ্শক হিচাপে কাম কৰিবলৈও আহ্বান জনায়।

কৰ্মচাৰী শ্বহীদ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা এই গ্ৰন্থ উন্মোচনী সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্তই সভাপতিত্ব কৰে। অনুষ্ঠানত প্ৰাক্তন অতিৰিক্ত মুখ্য সচিব হিমাংশু শেখৰ দাস, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি প্ৰদীপ বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সদৌ অসম কৰ্মচাৰী পৰিষদৰ বৰ্তমানৰ আৰু প্ৰাক্তন বিষয়ববীয়াসকলৰ লগতে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**০১/১১/২০২০**